**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

১। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ ইৰানত যুটীয়া আক্ৰমণ তীব্ৰতৰ হৈ উঠাৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে।

২। কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ ইংগিত বহন কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পশ্চিমবংগৰ ২৪ পৰগনা ৰায়দিঘিৰ পৰা ৰাজ্যখনত বিজেপিৰ পৰিবৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰে। *আৰু*

৪। ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লা চৈয়দ আলি খামেনেইক হত্যা কৰাৰ বিৰুদ্ধে অব্যাহত থকা প্ৰতিবাদৰ ফলস্বৰূপে কাশ্মীৰৰ বিভিন্ন অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ ইৰানত যুটীয়া আক্ৰমণ তীব্ৰতৰ হৈ উঠাৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে ইৰানত আমেৰিকা আৰু ইজৰাইল বাহিনীৰ নিৰন্তৰ আক্ৰমণ অব্যাহত আছে। প্ৰত্যুত্তৰত ইৰাণ আৰু দেশখনৰ সমৰ্থিত সেনা বাহিনীয়েও ইজৰাইল আৰু মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ চলাইছে। ব্ৰিটেইন ফ্ৰান্স আৰু জাৰ্মানীয়ে ইৰাণৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ বাবে আমেৰিকাক সহযোগ কৰিব বুলি প্ৰকাশ কৰিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিয়ে কঠোৰ ভাষাৰে দেশখনৰ মুৰব্বী আলী খামেনেইৰ ওপৰত আক্ৰমণ আৰু তেওঁৰ হত্যাক গৰিহণা দিয়ে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক বে-আইনী বুলি অভিহিত কৰাৰ লগতে ইৰাণে প্ৰতিৰক্ষা হিচাপে সমুচিত প্ৰত্যুত্তৰ দিব বুলি প্ৰকাশ কৰে। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কুৱেইকত তিনিটা আমেৰিকান বাহিনীৰ সৈন্যৰ মৃত্যুৰ ক্ষতিপূৰণ আদায় কৰিব বুলিও প্ৰকাশ কৰিছে। ইৰাণেও আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি ইউ এ ই, কুৱেইট, বাহৰেইণকে ধৰি মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ অব্যাহত ৰাখিছে। ইজৰাইলে বেইৰুটত কৰা আক্ৰমণত ৩১ জন লোকৰ মৃত্যু হৈছে।

ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰা তথ্য মতে ইৰাণে ইজৰাইলৰ ভূখণ্ডত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলাইছে। ইৰাণে দাবী কৰা মতে কুৱেইটত আমেৰিকাৰ এফ ফিফ্‌টিন যুঁজাৰু বিমান বিধবস্ত হৈছে। কুৱেইটত থকা আমেৰিকাৰ দূতাবাসত ইৰাণে আক্ৰমণ চলাইছে।

পশ্চিম এচিয়া আৰু মধ্য প্ৰাচ্যৰ দেশসমহূৰ এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আবদ্ধ ভাৰতীয়সকলক উদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰে প্ৰকাশ কৰিছে।

ooooo

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ ইংগিত বহন কৰিছে বুলি আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি সচিব পি কুমাৰনে কয় যে এই কানাডাৰ প্ৰধানমন্ত্ৰীৰ ভ্ৰমণে পৰিষ্কাৰ শক্তি আৰু

ফিনটেকৰ উপৰিও বাণিজ্যিক ক্ষেত্ৰখনত সম্ভাৱনাৰ সৃষ্টি কৰিব। তেওঁ লগতে কয় যে শক্তি সহযোগিতা এই ভ্ৰমণৰ নিৰ্ণায়ক স্তম্ভ হিচাপে আত্মপ্ৰকাশ কৰিছে।

শ্ৰী কুমাৰনে কয় যে কানাডাৰ প্ৰধানমন্ত্ৰীয়ে ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি (চিইপিএ) ৰ বিষয়ত আলোচনা অনতিপলমে সমাপ্ত কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে বিগত এবছৰত দুয়োখন দেশে সম্পৰ্ক স্বাভাৱিক কৰি তুলিবলৈ নিৰন্তৰভাৱে কাম কৰি আহিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পশ্চিমবংগৰ ২৪ পৰগনা ৰায়দিঘিৰ পৰা ৰাজ্যখনত বিজেপিৰ পৰিবৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীশ্বাহে কয়, যে পশ্চিমবংগত তৃণমূল কংগ্ৰেছৰ চৰকাৰৰ অপশাসনৰ বাবে ৰাজ্যখনৰ নাগৰিকসকলে পৰিবৰ্তনৰ আশা কৰিছে। মমতা বেনাৰ্জীৰ উপৰিও তৃণমূল কংগ্ৰেছৰ নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি তেওঁ কয় যে পশ্চিমবংগত অভিষেক বেনাৰ্জীক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে পৰিচয় কৰাই দিবলৈ চেষ্টা চলাই থকা হৈছে। দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি শ্ৰীশ্বাহে কয় যে বৰ্তমানৰ চৰকাৰখনে উন্নয়নক একাষৰীয়া কৰিছে। বিজেপিৰ চৰকাৰ আহিলে পশ্চিমবংগৰ পৰা অবৈধ প্ৰব্ৰজনকাৰীসকলক বিদায় দিয়া হ'ব বুলি শ্বাহে উল্লেখ কৰে। ৰাজ্যখনৰ সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ৰাজ্যখনৰ ৯ টাকৈ স্থানত এই পৰিৱৰ্তন যাত্ৰা আৰম্ভ কৰিব। আজিৰ অনুষ্ঠানত পশ্চিমবংগ বিজেপিৰ সভাপতি সুকান্ত মজুমদাৰৰ লগতে দলীয় নেতাসকল উপস্থিত থাকে।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয় যে ৰাষ্ট্ৰ নিৰ্মাণত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সমগ্ৰ দেশৰ শাসনব্যৱস্থা শক্তিশালী কৰিবলৈ তেওঁলোকে বিভাগীয় সীমা অতিক্ৰম কৰি কাম কৰিব লাগিব বুলিও ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্যিক অসামৰিক সেৱাৰ পৰা নিযুক্তি পোৱা আৰু লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসন একাডেমীত ১২৮ সংখ্যক প্ৰৱেশ প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা বিষয়াসকলে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে।

বিষয়াসকলক সম্বোধন কৰি ৰাষ্ট্ৰপতিয়ে কয় যে তেওঁলোকে এতিয়া কেৱল মাত্ৰ এখন জিলা বা ৰাজ্যৰ দায়িত্বই নহয় তাতকৈও অধিক দায়িত্ব বহন কৰি আছে।

এই সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই বৃহৎ দায়িত্বসমূহৰ বাবে বিস্তৃত ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ প্ৰয়োজন যি প্ৰশাসনিক অৱস্থানসমূহ ধ্বংস কৰে আৰু সহযোগিতা বৃদ্ধি কৰে। তেওঁ কয় যে প্ৰতিষ্ঠানিক সংহতি বৃদ্ধি আৰু শাসন ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে সামূহিক পেছাদাৰী মনোভাৱ, সমন্বয় আৰু দায়বদ্ধতা অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে বিষয়াসকলে এতিয়া কেৱল কোনো নিৰ্দিষ্ট অঞ্চলৰ প্ৰশাসকেই নহয়, বৰঞ্চ সমগ্ৰ দেশতে শাসনৰ মানদণ্ড বজাই ৰখাৰ দায়িত্বও তেওঁলোকৰ হাততে। তেওঁ কয়, যে বিষয়াসকলে লোৱা প্ৰতিটো সিদ্ধান্তই ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰত গঢ়ি তোলাৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখিব লাগে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে কয় যে আই. এ. এছ. বিষয়া হিচাপে তেওঁলোকে জনসাধাৰণৰ প্ৰয়োজনীয়তা আৰু আকাংক্ষা পূৰণৰ বাবে কাৰ্যকৰীভাৱে নীতি ৰূপায়ণ কৰিব বুলি আশা কৰা হয়। বিষয়াসকলক অধিক জটিল প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ সময়ত তেওঁলোকৰ মূল্যৱান অভিজ্ঞতা আৰু 'ৰাষ্ট্ৰ প্ৰথম' ৰ মনোভাৱৰ দ্বাৰা নিৰ্দেশিত হ 'বলৈ শ্ৰী মুৰ্মুৱে পৰামৰ্শ দিয়ে।

সামগ্ৰিক উন্নয়নত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে উন্নত ৰাষ্ট্ৰলৈ ভাৰতৰ ৰূপান্তৰ তেতিয়াহে অৰ্থপূৰ্ণ হ'ব যেতিয়া এই উন্নয়নৰ লাভালাভ দেশৰ আটাইতকৈ দুৰ্বল আৰু বঞ্চিত শ্ৰেণীৰ লোকেও লাভ কৰিব। ৰাষ্ট্ৰপতি শ্ৰী মুৰ্মুৱে বিষয়াসকলক ভৌগোলিক, সামাজিক বা অৰ্থনৈতিক কাৰণত কোনো সম্প্ৰদায় যাতে উন্নয়নৰ বাট পিছ পৰি নৰয় সেয়া নিশ্চিত কৰিবলৈও আহ্বান জনায়।

00000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক অৰ্থাৎ এআইআইবিৰৰ নতুন সভাপতি জৌ জিয়ায়ীক সাক্ষাৎ কৰে। বৈঠকৰ সময়ত দুয়োপক্ষই ভাৰত আৰু এআইআইবিৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। এটা ছ'চিয়েল মিডিয়া পোষ্টত বিত্ত মন্ত্ৰালয়ে কয় যে তেওঁলোকে ভাৰতৰ আন্তঃগাঁথনি খণ্ডত আগতীয়াকৈ আপষ্ট্ৰিম সেৱাৰ জৰিয়তে এআইআইবিৰ সৈতে বৰ্ধিত সহযোগিতাৰ গুৰুত্বৰ বিষয়েও আলোচনা কৰে।

বৈঠকৰ সময়ত নিৰ্মলা সীতাৰমণে বিভিন্ন উদ্ভাৱনীমূলক বিত্তীয় আৰু অবিত্তীয় মাধ্যমৰ জৰিয়তে এআইআইবিৰ সদস্য দেশ বিশেষকৈ কম আয়ৰ দেশসমূহত বিনিয়োগ পৰিমাণ বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীমতী সীতাৰমণে কেন্দ্ৰীয় বাজেট ২০২৬ ত দেশৰ আন্তঃগাঁথনি অধিক বৃদ্ধি কৰাৰ  ওপৰতো আলোকপাত কৰে। তেঁও এআইআইবিৰ কাৰ্য্যকলাপৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি মূলধনী বজাৰৰ উন্নয়ন, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশত প্ৰকল্পৰ অনুমোদন ক্ষিপ্ৰতাৰে কৰা, ভাৰতত আঞ্চলিক কাৰ্যালয় স্থাপনৰ ক্ষেত্ৰত এআইআইবিৰ ভূমিকাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

00000

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে চৰকাৰে দেশৰ উন্নয়নৰ বাবে ২০৩০ চনৰ ভিতৰত ভাৰতৰ লজিষ্টিক ব্যয় ১০ শতাংশ তললৈ হ্ৰাস কৰাৰ বাবে লক্ষ্য স্থিৰ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় পন্যাগাৰ নিগম-চি ডব্লিঅ' চিৰ ৭০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, পন্যাগাৰ আৰু লজিষ্টিক উদ্যোগে দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ উল্লেখ কৰে যে, এই বজাৰে বাৰ্ষিক ১৫ শতাংশ হাৰত বৃদ্ধি হোৱাৰ লগতে ২০২৭ চনৰ ভিতৰত এই বজাৰৰ মূল্য ৩৫ বিলিয়ন ডলাৰ হ'ব বুলি আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই বৃদ্ধি ই কমাৰ্চ ব্যৱস্থাৰ বহুল প্ৰসাৰ, ৰে'ল খণ্ডৰ আন্তঃগাথনি উন্নয়ন, পৰিবহন ব্যৱস্থা ইত্যাদিৰ জৰিয়তে সম্ভৱপৰ হ'ব। লজিষ্টিক খণ্ডত চি ডব্লিঅ' চিয়ে দেখুওৱা সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰি শ্ৰীযোশীয়ে কয়, যে নিগমৰ অধীনত বৰ্তমান ১৬১ লাখ মেট্ৰিকটন সামগ্ৰী মজুত ৰখাৰ ক্ষমতা থকা মুঠ ৯৫৩ টা পন্যাগাৰ আছে। তেওঁ বজাৰ অংশীদাৰিত্ব বৃদ্ধি কৰিবলৈ চি ডব্লিঅ' চিৰ ৰাজহুৱা - ব্যক্তিগত অংশীদাৰিত্ব আৰ্হিৰ অধীনত ৰূপায়িত প্ৰকল্পসমূহ ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়।

০০০০০

ইৰাণত আমেৰিকা-ইজৰাইলৰ বোমা বিস্ফোৰণৰ ফলস্বৰূপে ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লা চৈয়দ আলি খামেনেইক হত্যা কৰাৰ বিৰুদ্ধে অব্যাহত থকা ব্যাপক প্ৰতিবাদৰ পিছত কাশ্মীৰৰ  বিভিন্ন অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। কাশ্মীৰ উপত্যকাত আইন শৃংখলা বজাই ৰাখি শান্তিপূৰ্ণ পৰিৱেশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি আৰু কাইলৈ চৰকাৰী - বেচৰকাৰী সকলোবোৰ শিক্ষানুষ্ঠান বন্ধ ৰখা হৈছে। কাশ্মীৰ বিশ্ববিদ্যালয় আৰু ইছলামিক ইউনিভাৰছিটি অৱ চায়েন্স এণ্ড টেকনলজিয়েও নতুন অধিসূচনা জাৰি নকৰালৈকে পৰীক্ষাসমূহ স্থগিত ৰাখিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত অতিৰিক্ত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী নিয়োগ কৰি সমগ্ৰ অঞ্চলটোত  নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হৈছে। ব্যক্তিগত পৰিবহন ব্যৱস্থাৰ সামান্যভাৱে অব্যাহত ৰাখি ৰাজ্যিক পৰিবহন ব্যৱস্থা প্ৰায় নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰিও শ্ৰীনগৰ আৰু কাশ্মীৰ অঞ্চলত বিশেষকৈ ছিয়া মুছলমান অধ্যুষিত ডাউন টাউন অঞ্চল স্পৰ্শকাতৰ বিবেচনা কৰি অধিক নিৰাপত্তাৰক্ষী মোতায়েনৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ